DAINIK ASAM, Guwahati, Friday, Octo

# শৰাইঘাট কলেজত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱৰ সামৰণি



## একাংকিকা নাটত শ্ৰেষ্ঠ জাগীৰোড মহাবিদ্যালয়

নিজা বাতৰি দিওঁতা

**দুমুনিচকী, ১৯ অক্টোবৰ ঃ** কামৰূপ জিলাৰ শৰাইঘাট কলেজত দুদিনীয়াকৈ অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ অধীনৰ কেন্দ্ৰীয় মাণ্ডলিক আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ কালি নিশা সামৰণি পৰে। প্ৰতিযোগিতা নিশা ২ বজালৈকে *৫ পৃষ্ঠাত চাওক*

## শৰাইঘাট কলেজত অনুষ্ঠিত

অনুষ্ঠিত হোৱা বুলি জনোৱা হৈছে। তথ্য অনুসৰি, একাংকিকা নাটত জাগীৰোড কলেজ শ্ৰেষ্ঠ দল, সন্দিকৈ ছোৱালী মহাবিদ্যালয় দ্বিতীয় শ্ৰেষ্ঠ দল আৰু তৃতীয় স্থান লাভ কৰে আৰ্য বিদ্যাপীঠ কলেজে। একেদৰে ব্যাংগ নাট প্ৰতিযোগিতাতো প্ৰথম স্থান অধিকাৰ কৰে জাগীৰোড কলেজে। দ্বিতীয় স্থান লাভ কৰে সন্দিকৈ ছোৱালী মহাবিদ্যালয়ে আৰু তৃতীয় শ্ৰেষ্ঠ দল হয় চাংসাৰিৰ শৰাইঘাট কলেজ। উল্লেখ্য যে বিগত দুদিন ধৰি বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা পাঁচ শতাধিক প্ৰতিনিধিৰ সমন্বয়ত জীপাল হোৱা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱক লৈ উদুলি-মুদুলি পৰিৱেশ বিৰাজ কৰিছিল মহাবিদ্যালয়খনত। বিভিন্ন প্ৰান্তৰপৰা অহা মহাবিদ্যালয়ৰ শিক্ষাৰ্থী তথা প্ৰতিনিধিৰ সমন্বয়ত শিক্ষানুষ্ঠানখনৰ চৌদিশে পৰিলক্ষিত হৈছিল আনন্দৰ লহৰ। গীত-মাত, নৃত্যকে ধৰি বিভিন্ন প্ৰতিযোগিতাত শৰাইঘাটৰ কলেজৰ চৌহদত দেখা গৈছিল সাংস্কৃতিক মহাৰণ। প্ৰতিটো প্ৰতিযোগিতাতে প্ৰতিভাবান শিক্ষাৰ্থীসকলৰ অভাৱনীয় যোগদান পৰিলক্ষিত হৈছিল। যাৰবাবে দোভাগ নিশা পৰ্যন্ত চলিছিল প্ৰতিযোগিতা। উল্লেখ্য যে এই যুৱ মহোৎসৱখন প্ৰথম দিনা পুৱা উদ্বোধন কৰিছিল মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। পুৱা ৯ বজাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিশ্ববিদ্যালয়খনৰ অধ্যাপক শিখৰ কুমাৰ শৰ্মাই। গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ পতাকা উত্তোলন কৰে বিভাগটোৰ সচিব ডঃ ৰঞ্জন কুমাৰ কাকতিয়ে। শৰাইঘাট মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ডঃ মণি শৰ্মাই। প্ৰথমদিনা বৰগীত, বনগীত, লোকগীত, জনজাতীয় গীত, জ্যোতি সংগীত, বিষ্ণু ৰাভা গীত, পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীত, ভূপেন্দ্ৰ সংগীত, জয়ন্ত হাজৰিকাৰ গীত, থিতাতে অঁকা পেইন্টিং, তৰ্ক, কবিতা আবৃত্তি, বক্তৃতা, লোক নৃত্য, শাস্ত্ৰীয় নৃত্য আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। নিশা মূকাভিনয়, ব্যাংগাত্মক নাট, একাংকিকা নাট আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। একেদৰে কালি ৯ বজাৰ পৰা ৰবীন্দ্ৰ সংগীত, শাস্ত্ৰীয় কণ্ঠ সংগীত, লঘু কণ্ঠ সংগীত, পাশ্চাত্য সংগীত, তাল বাদ্য, স্বৰ বাদ্য, সমৱেত সংগীত, লোক বাদ্য, অসমীয়া সুগম গীত, ক'লাজ, পোষ্টাৰ মেকিং, কাৰ্টুনিং, কুইজ, একাংকিকা নাটক ইত্যাদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই যুৱ মহোৎসৱত কামৰূপ, কামৰূপ মহানগৰ আৰু মৰিগাঁও জিলাৰ ২৫ খন মহাবিদ্যালয়ৰ প্ৰায় পাঁচ শতাধিক প্ৰতিনিধি তথা ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।

# CENTRAL ZONAL INTER-COLLEGE YOUTH FESTIVAL OF GAUHATI UNIVERSITY HELD AT SARAIGHAT COLLEGE ON 16TH & 17TH OCTOBER, 2023

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ সামৰণি

### ■ একাংকিকা আৰু ব্যংগ নাট প্ৰতিযোগিতাত জাগীৰোড মহাবিদ্যালয় শ্ৰেষ্ঠ

'আমাৰ অসম'ৰ বাইহাটা চাৰিআলিৰ প্ৰতিবেদক, ১৯ অক্টোবৰ ঃ কামৰূপ জিলাৰ শৰাইঘাট কলেজত দুদিনীয়াকৈ অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ অধীনৰ কেন্দ্ৰীয় মাণ্ডলিক আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ মঙলবাৰে সামৰণি পৰে। প্ৰতিযোগিতাসমূহ নিশা ২ বজালৈকে অনুষ্ঠিত হয়। একাংকিকা নাটত জাগীৰোড কলেজ প্ৰথম, সন্দিকৈ ছোৱালী মহাবিদ্যালয় দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে আৰ্য বিদ্যাপীঠে কলেজে। একেদৰে ব্যংগ নাট প্ৰতিযোগিতাতো প্ৰথম স্থান অধিকাৰ কৰে জাগীৰোড কলেজে। দ্বিতীয় স্থান লাভ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ে আৰু তৃতীয় শ্ৰেষ্ঠ দল চাংসাৰিৰ শৰাইঘাট কলেজ। উল্লেখ্য, বিগত দুদিন ধৰি বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা পাঁচ শতাধিক শিক্ষাৰ্থী প্ৰতিনিধিৰ সমন্বয়ত জীপাল হৈ পৰা যুৱ মহোৎসৱক লৈ উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয় শৰাইঘাট কলেজত। শিক্ষানুষ্ঠানখনৰ চৌদিশে পৰিলক্ষিত হৈছিল আনন্দৰ লহৰ। অসমীয়া কৃষ্টি, সংস্কৃতিৰ কেতবোৰ স্বকীয় গীত-মাত, নৃত্যকে ধৰি বিভিন্ন ক্ষেত্ৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ মাদকতাত শৰাইঘাট কলেজৰ চৌহদ হৈ পৰিছিল উৎসৱৰ মহাৰণ। যুৱ মহোৎসৱত তথা প্ৰতিটো প্ৰতিযোগিতাত প্ৰতিভাৱান শিক্ষাৰ্থীসকলৰ অভাৱনীয় যোগদান পৰিলক্ষিত হৈছিল। যাৰ বাবে দোভাগ নিশা পৰ্যন্ত প্ৰতিযোগিতাৰ কাৰ্যসূচী ৰূপায়ণ কৰিবলগা হৈছিল। উল্লেখ্য, যুৱ মহোৎসৱখন ১৬ অক্টোবৰত পুৱাৰ ভাগত আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। বিষয়াজনে বন্তি প্ৰজ্বলনৰ জৰিয়তে যুৱ মহোৎসৱ উদ্বোধন কৰাৰ পাছতে নিৰ্ধাৰিত কাৰ্যসূচীসমূহ ৰূপায়ণ কৰা হৈছিল। পুৱা ৭ বজাৰ পৰা পঞ্জীয়ন ব্যৱস্থা, ৯ বজাত পতাকা উত্তোলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিশ্ববিদ্যালয়খনৰ অধ্যাপক শিখৰ কুমাৰ শৰ্মাই। গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ পতাকা উত্তোলন কৰে বিভাগটোৰ সচিব ড° ৰঞ্জন কুমাৰ কাকতিয়ে। শৰাইঘাট মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° মণি শৰ্মাই। ইয়াৰ পাছতে যুৱ মহোৎসৱৰ নিৰ্ধাৰিত প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। বিশেষকৈ প্ৰথমদিনা বৰগীত, বনগীত, লোকগীত, জনজাতীয় গীত, জ্যোতি সংগীত, বিষ্ণু ৰাভা গীত, পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত, ভূপেন্দ্ৰ সংগীত, জয়ন্ত হাজৰিকাৰ গীত, থিতাতে অকাঁ পেইণ্টিং, মডেলিং, তৰ্ক, কবিতা আবৃত্তি, বক্তৃতা, লোকনৃত্য, শাস্ত্ৰীয় নৃত্য আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। নিশাৰ ভাগত মূকাভিনয়, ব্যাংগাত্মক নাট, একাংকিকা নাট আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। একেদৰে মঙলবাৰে ৯ বজাৰ পৰা ৰবীন্দ্ৰ সংগীত, শাস্ত্ৰীয় সংগীত, লঘু সংগীত, পাশ্চাত্য সংগীত, তাল বাদ্য, সমৱেত সংগীত, লোক বাদ্য, অসমীয়া সুগম গীত, ক'লাজ, পোষ্টাৰ মেকিং, কাৰ্টুনিং, কুইজ, একাংকিকা নাটক আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। স্মৰ্তব্য, গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই যুৱ মহোৎসৱত কামৰূপ, কামৰূপ মহানগৰ আৰু মৰিগাঁও জিলাৰ ২৫খন মহাবিদ্যালয়ৰ পাঁচ শতাধিক প্ৰতিনিধি তথা ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।